প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# ধুবুৰীত মন্ত্ৰী নৱ দলে
# পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কেইবাখনো আঁচনিৰ শুভ উদ্বোধন

**গুৱাহাটী ৫ ছেপ্টেম্বৰ ঃ** আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে দুদিনীয়া নামনি অসম ভ্ৰমণ সূচীৰে ধুবুৰীত উপস্থিত হৈ জিলাখনৰ বিভিন্ন গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগৰ অনুদানৰ অধীনত সম্পূৰ্ণ কৰা তিনিখনকৈ আঁচনিৰ শুভ উদ্বোধন কৰে। আঁচনি কেইখন হ'ল— ৰঙামাটি গাঁও পঞ্চায়ত কাৰ্যালয় ভৱন, ফলিমাৰী কৃষ্ণকলি গাঁও পঞ্চায়তৰ অধীনত চৈবাৰী চাহ বাগিছা হাটখলা কালী মন্দিৰৰ চৌহদ পকীবেৰ নিৰ্মাণ আৰু বৰুণীতৰা বৰতল দৌল গাঁও পঞ্চায়তৰ অধীনত পেভাৰচ্ ব্লকেৰে নিৰ্মাণ কৰা এটি পথ। বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা আৰু আয়ুক্ত হেমেন দাসসহ বিষয়াৰ দল এটিৰে ভ্ৰমণৰত মন্ত্ৰীগৰাকীয়ে এই আঁচনি কেইখন উদ্বোধন কৰাৰ সময়ত পূৱ বিলাসীপাৰা সমষ্টিৰ বিধায়ক অশোক কুমাৰ সিংহীও উপস্থিত থাকে। আঁচনি উদ্বোধন কৰি দিয়া ভাষণ প্ৰসঙ্গত বিভাগৰ সকলো আঁচনিৰ কাম অতি নিষ্ঠাৰে আৰু ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিবলৈ উপস্থিত পঞ্চায়ত কৰ্মচাৰী তথা জনপ্ৰতিনিধিসকলক মন্ত্ৰী দলেয়ে আহ্বান জনায়। তেওঁ লগতে সকলো আঁচনিৰ হিতাধিকাৰী বাচনি তথা সম্পৰ্ক প'টেলৰ যোগেদি প্ৰব্ৰজিত লোকসকলৰ নাম পঞ্জীয়ন কৰা আদি ক্ষেত্ৰত ৱাৰ্ডে ৱাৰ্ডে সজাগতা সৃষ্টিৰ ওপৰতো গুৰুত্ব দিয়ে। আনহাতে প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অতিৰিক্ত তালিকাত নাম থকাসকলে আধাৰ কাৰ্ডক লৈ কোনো দুচিন্তা কৰিব নালাগে বুলি উল্লেখ কৰি ইতিমধ্যে এই সম্পৰ্কত সকলো জিলা উপায়ুক্তকে এই হিতাধিকাৰীসকলৰ বাবে আধাৰ কাৰ্ডৰ ব্যৱস্থা কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। আঁচনি উদ্বোধনৰ পিচতে মন্ত্ৰীগৰাকীয়ে ধুবুৰীত এখন পৰ্যালোচনা সভাত অংশ লৈ জিলাখনত বিভাগৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনি সম্পৰ্কত বুজ লয়। বাতৰি যুগুতোৱাৰ সময়লৈকে এই পৰ্যলোচনা সভা চলি আছে।

*এমআৰডি/০৫-০৯-২০২০*


Const. of CC Block road from Borun Ray house towards Thupu Chik
Boraik house at vill. BarunitaraPt-III Under 14th F.C.2018-19(2nd Instt)
Inaugurated By
Hon'ble Minister SRI NABA KR.DOLEY
P & RD Department
In presence of
Hon'ble MLA SRI ASHOK KR. SINGHI
27 No Bilasipara East LAC
SRI J.B. EKKA (IAS)
Principal Secretary,P&RD Department
SRI HEMEN DAS (IAS)
Commissioner, P&RD Department
Date :- 05/09/2020
Est. Amt. 12,50,720 /-
Name of G.P.:- Barunitara-Botordol



Const. of Boundary wall at Chaibari I.E.Hatkhola
Kali Mondir Under 14th F.C.2017-18(2nd Instt)
Inaugurated By
Hon'ble Minister SRI NABA KR.DOLEY
P & RD Department
In presence of
Hon'ble MLA SRI ASHOK KR. SINGHI
27 No Bilasipara East LAC
SRI J.B. EKKA (IAS)
Principal Secretary,P&RD Department
SRI HEMEN DAS (IAS)
Commissioner, P&RD Department
Est. Amt. 5.00Lac Date :- 05/09/2020
Name of G.P.:-Folimari-Krishnakoli


प्रधान मंत्री
Pradhan Mantri Awaas Yojana-Gramin
FINANCIAL YEAR : 2016-2017
SANCTION AMOUNT : RS. 1,30,000.00
PMAY-G ID NO. :
HOUSE ALLOTED TO : BIKINI MUNDA
NAME OF VILLAGE : BARUNITARA
NAME OF GP : BARUNITARA BOTARDAL
NAME OF DEV. BLOCK : CHAPAR SALKOCHA
DISTRICT : DHUBRI (ASSAM)






Campus. Under 14th F.C.2016-17(2nd
Inaugurated By
Hon'ble Minister SRI NABA KR.DOLE
P & RD Department
In presence of
MLA SRI ASHOK KR. SINGHI
27 No Bilasipara East LAC
SRI J.B. EKKA (IAS)
Principal Secretary,P&RD Department
SRI HEMEN DAS (IAS)
Commissioner, P&RD Department
Name of G.P.:-Rangamati
Est. Amt. 12,87,171 /- Date :- 05/09/2020
Building at Rangamati
East LAC.